DAILY ASSAM

## ২৯। সমাস (Compound Word)

২৯ ঃ ১ পৰস্পৰ অৰ্থৰ সংগতি থকা বা পাৰস্পৰিক আৱশ্যকীয় অৰ্থৰ দুই বা ততোধিক পদ লগ লাগি এক পদ হোৱাকেই সমাস (Compound Words) বোলে। চুটি বা সংক্ষেপ কৰাই ইয়াৰ উদ্দেশ্য।

বৰশী মৰা মাছ— ইয়াত 'মাছ' শব্দটোক বিশেষকৈ বুজোৱা বিশেষণ শব্দ 'বৰশীমৰা'। বৰশীৰে মাৰি অনা মাছ— এই অৰ্থত বৰশীমৰা শব্দটো গঢ়ি উঠিছে। গতিকে বৰশীমৰা পদটো তৃতীয়া তৎপুৰুষ সমাস। ইয়াত 'বৰশীৰে' তৃতীয়া বিভক্তি লোপ পাই 'মৰা' কৃদন্ত পদৰ লগত যোগ হৈছে আৰু 'মাৰ' ধাতুত বিশেষণাত্মক কৃদন্ত 'আ' যোগ হৈ 'মৰা' সম্ভৱ হৈছে। তেনেকৈ দিনে দিনে— প্ৰতিদিনে, ধৰ্মৰ অভাৱ- অধৰ্ম।

২৯ ঃ ২ **সন্ধি আৰু সমাস** ঃ শুনিবলৈ শুৱলা বা কথা চুটি কৰিবলৈ সংস্কৃত আদি ভাষাত ব্যৱহাৰ হোৱাৰ দৰে অসমীয়াতো সমাসৰ ব্যৱহাৰ আছে। সমাসত দুই বা ততোধিক পদ লগ কৰি চুটি কৰাৰ দৰে সন্ধিতো দুই বা ততোধিক শব্দৰ সংযোগ কৰি চুটি কৰা হয়। কিন্তু উভয়ৰ মাজত প্ৰভেদ আছে।

ঃ (২) (ক) দুই বা ততোধিক পদ থকা বাক্য বা বাক্যাংশ এক পদ হ'লেই সমাস হয়। যেনে, পিতলৰ দৰে (বৰণৰ চকু যাৰ) সি পিতলচকুৱা। ইয়াত কেৱল পিতল আৰু চকু শব্দ দুটিৰহে উল্লেখ আছে, সানমিহলিকৈ লগলাগি শেষত 'আ' প্ৰত্যয় গ্ৰহণ কৰি এক পদ হৈ পৰিছে।

কিন্তু দুই বা ততোধিক পদ, শব্দ বা প্ৰত্যয়ৰ মাজতহে সন্ধি হয়, শব্দকেইটি যেনে আছে তেনেভাৱেই জোৰাই থয় মাথোন। যেনে বিদ্যা + আলয় = বিদ্যালয়, যদি + অপি = যদ্যপি, নাম + কৰণ = নামকৰণ, মানুহ + এ = মানুহে। ইত্যাদি।

ঃ ২ (খ) সমাস হ'লে কেতিয়াবা পদবোৰৰ প্ৰকৃত অৰ্থ এৰি অন্য অৰ্থ বুজায়। যেনে, পীত বৰণীয়া অম্বৰ পিন্ধে যিয়ে— তেৱেঁই পীতাম্বৰ। ইয়াত পীত বৰণীয়া (কাপোৰ) পৰিধান কৰোঁতে 'শ্ৰীকৃষ্ণ'কেই বুজাইছে। গতিকে 'পীতাম্বৰ' পদৰ পীত অম্বৰ শব্দৰ প্ৰকৃত অৰ্থ ত্যাগ কৰি অন্য অৰ্থ অৰ্থাৎ কৃষ্ণকহে বুজাইছে।

কিন্তু সন্ধিত শব্দকেইটিৰ অৰ্থৰ কোনো লৰচৰ নহয়। যেনে, চন্দ্ৰ + উদয় = চন্দ্ৰোদয়, ইয়াত চন্দ্ৰ আকাশত উদয়ৰ কথাকেই ইংগিত কৰিছে।

ঃ ২ (গ) সমাস হ'লে পদবোৰৰ বিভক্তিবোৰ লোপ হয়, কেৱল সমাসবদ্ধ পদটোতহে বিভক্তি যুক্ত হয়। যেনে, ডেকা-চাং অৰ্থাৎ ডেকালৈ চাং (Platform for the bachelors)। ইয়াত ডেকা শব্দৰ ৪ৰ্থী বিভক্তি লুপ্ত হৈ সমাস হৈছে।

কিন্তু সন্ধি হ'লে বিভক্তি প্ৰত্যয় লোপ নহয়, যেনে আছে তেনেভাৱেই লগ লাগে মাথোন। যেনে ঘৰ + ত = ঘৰত, হাত + এদি = হাতেদি, নমঃ + কাৰ = নমস্কাৰ।

ঃ ২ (ঘ) সমাস হ'বলগীয়া বা অৰ্থৰ সংগতি থকা পদবিলাক সানমিহলি হৈ এক পদ কৰা হয়। সমাস বাক্যৰ অনেক পদ লোপ পায় বা নতুন শব্দৰ আগম হয়। কিন্তু সন্ধিত বিভিন্ন অৰ্থৰ পদ বা শব্দ বা প্ৰত্যয় যেনে আছে তেনেভাৱেই জোৰাই থয় মাথোন। যেনে, নেউলৰ দৰে মুখ যাৰ সি নেউলমুৱা, কিন্তু নকুল-আকাংক্ষা = নকুলাকাংক্ষা। জীৱন– পৰ্যন্ত = আজীৱন।

**২৯ ঃ ৩** যি কেইটা পদৰ সমাস হয় সিহঁতৰ প্ৰত্যেককে সমস্যমান বা ব্যস্তপদ বোলে। যেনে 'তলসৰা' সমাসবদ্ধ পদৰ তলত আৰু সৰা ব্যস্তপদ।

পদবোৰ সানমিহলি হৈ এক হোৱা সমাসবদ্ধ পদটোক সমস্তপদ বোলে। যেনে, চক্ৰ আছে পাণিত যাৰ তেৱেঁই 'চক্ৰপাণি' (শ্ৰীকৃষ্ণ) 'চক্ৰপাণি' সমস্তপদ।

সমাসৰ অৰ্থ প্ৰকাশ কৰা বাক্য বা বাক্যাংশক নাইবা যি বাক্য বা বাক্যাংশই সানমিহলি হৈ এক পদ হৈ সমাস হয়, সেই বাক্য বা বাক্যাংশক ব্যাসবাক্য বা সমাস বাক্য বোলে। যেনে, 'পিতলচকুৱা' সমস্তপদৰ ব্যাসবাক্য বা সমাস বাক্য হৈছে– পিতলৰ নিচিনা (বৰণৰ) চকু যাৰ সি– পিতলচকুৱা।

**২৯ ঃ ৪** সংস্কৃত ব্যাকৰণ মতে সমাসৰ সংখ্যা বেছি হ'লেও সংস্কৃত শব্দ প্ৰচুৰ প্ৰয়োগ কৰা কাৰণে অসমীয়াত প্ৰধানকৈ ছয়বিধ সমাসৰ ব্যৱহাৰ হয়। যেনে-

১। দ্বন্দ্ব, ২। দ্বিগু, ৩। বহুব্ৰীহি, ৪। কৰ্মধাৰয়, ৫। তৎপুৰুষ আৰু ৬। অব্যয়ীভাৱ।

## ১। দ্বন্দ্ব সমাস

## (Co-ordinate or Collective Compounds)ঃ

**২৯ ঃ ৫** দুটা বা ততোধিক সংজ্ঞা শব্দ নাইবা বিশেষণ শব্দৰ মাজৰ সংযোজক অব্যয় শব্দ লোপ কৰি সমাস কৰিলেই দ্বন্দ্ব সমাস বোলে। ই তিনিবিধ–

(ক) ইতৰেতৰ (খ) সমাহাৰ আৰু (গ) একশেষ দ্বন্দ্ব।

**(ক) ইতৰেতৰ দ্বন্দ্ব ঃ**

**২৯ ঃ ৬** যি দ্বন্দ্ব সমাসৰ সমস্তপদ সমস্যমান পদবোৰৰ অৰ্থ স্পষ্ট হৈ থাকে বা অৰ্থ প্ৰধানভাৱে থাকে তাকেই ইতৰেতৰ দ্বন্দ্ব সমাস বোলে। যেনে, ৰাম আৰু লক্ষ্মণ – ৰামলক্ষ্মণ, ধেনু আৰু শৰ– ধেনুশৰ, আই আৰু বোপাই– আইবোপাই, তেল আৰু পানী–তেলপানী, ডাড়ি আৰু গোঁফ– ডাড়িগোঁফ।

**২৯ ঃ ৭** উচ্চাৰণ সহজ সাধ্য কৰিবলৈ বা শ্ৰুতিমাধুৰ্যৰ বাবে এই সমাসত দীঘলীয়া পদটি সাধাৰণতে শেষৰ ফালে বহে। নাইবা প্ৰথম পদৰ শেষাংশ লোপ পায়। যেনে, ভাই আৰু ককাই–ভাইককাই, জয় আৰু পৰাজয়– জয়পৰাজয়, ল'ৰা আৰু ছোৱালী– ল'ৰাছোৱালী, আলি আৰু পদুলি– আলিপদুলি, পালি আৰু পহৰী-পালিপহৰী, মাহ আৰু চাউল– মাহচাউল।

আকৌ পাকিস্তান আৰু ভাৰত– 'পাকভাৰত', ইংলেণ্ড আৰু মাৰ্কিন– 'ইংগমাৰ্কিন', জাপান আৰু মাৰ্কিন,– 'জাপমাৰ্কিন', ৰুছিয়া আৰু ভাৰত– 'ৰুছভাৰত'।

**২৯ ঃ ৮ দুই** বা ততোধিক বিশেষণ পদৰো সমাস হয়, যেনে– ভাল আৰু বেয়া– ভালবেয়া, সাধু আৰু সন্ত– সাধুসন্ত, চালাক আৰু চতুৰ– চালাকচতুৰ।

২৯ ঃ ৬ স্ত্ৰীলিংগ আৰু পুংলিংগ পদৰ সমাস হ'লে সাধাৰণতে স্ত্ৰীলিংগবাচক পদটো আগত বহে। যেনে, ৰাধা আৰু কৃষ্ণ— ৰাধাকৃষ্ণ, সাবিত্ৰী আৰু সত্যৱান- সাবিত্ৰীসত্যৱান, জায়া আৰু পতি— দম্পতী, * জম্পতা, জায়াপতী (দম্পতি, জম্পতি বা জায়াপতি)।

**(খ) সমাহাৰ দ্বন্দ্ব ঃ**

২৯ ঃ ১০ যি দ্বন্দ্ব সমাসত অনেক সমাস হৈ ব্যস্ত পদবোৰৰ অৰ্থৰ উপৰিও অন্য অৰ্থ প্ৰকাশ কৰে তাকেই সমাহাৰ দ্বন্দ্ব বোলে। যেনে, 'কাঁহিবাটি'য়ে কেৱল কাঁহী আৰু বাটিকেই বুজোৱা নাই কাঁহী, বাটি আৰু এই জাতীয় লোটা, ঘটী, কলহ আদিকো বুজায়। কিন্তু কেৱল কাঁহী আৰু বাটিকেই বুজালে ইতৰেতৰ দ্বন্দ্ব সমাস হ'ব। তেনেকৈ 'আমকঁঠাল', আম-কঁঠালৰ বাৰী বুলিলে আম, কঁঠাল আৰু এই জাতীয় অন্যান্য ফলৰ বাৰীকেই বুজায়। তেনেকৈ তেলটেঙা, ভাতমাছ ইত্যাদি।

২৯ ঃ ১১ নামধাতু বা তুমৰ্থক ক্ৰিয়াৰো সমাহাৰ দ্বন্দ্ব হয়। যেনে, লঠিয়াবলৈ আৰু চৰিয়াবলৈ 'লঠিয়াব-চৰিয়াবলৈ', লাঠি খাবলৈ আৰু চৰ খাবলৈ 'লাঠিচৰ খাবলৈ', খাবলৈ আৰু পিবলৈ— 'খাব-পিবলৈ', খাব-পিবৰ, খাবলৈ আৰু পিন্ধিবলৈ—খাব-পিন্ধিবলৈ বা খাব-পিন্ধিবৰ। ইত্যাদি।

**(গ) একশেষ দ্বন্দ্ব ঃ**

২৯ ঃ ১২ যি দ্বন্দ্ব সমাসত ব্যস্তপদবোৰৰ ভিতৰত কেৱল প্ৰথম ব্যস্তপদটোহে বহুবচন যুক্ত হৈ ব্যৱহাৰ হয়। বাকী ব্যস্তপদবোৰ লোপ পায়, তাকেই একশেষ দ্বন্দ্ব বোলে। এই দ্বন্দ্ব সমাসত কেইবাটাও শব্দৰ সলনি একেটি অৱশেষ থাকে আৰু সিয়ো বহুবচন যুক্ত হৈ ব্যৱহাৰ হয়। সেই বহু বচনযুক্ত পদটিয়ে আটাইবোৰ ব্যস্তপদকেই বুজায়, সেইবাবেই ই একশেষ দ্বন্দ্ব সমাস। যেনে— ৰাম, হৰি, যদু, মধু আদি 'ৰামহঁত', পিতা, খুৰা আদি 'পিতাহঁত', 'ৰুস্তম, আহমেদ, আৰ্ফান আদি 'ৰুস্তমহঁত, 'ৰংপি' তেৰণ আদি— ৰংপিহঁত।

## ২। দ্বিগু সমাস

২৯ ঃ ১৩ দুই বা তদূৰ্ধ সংখ্যাবাচক শব্দৰ লগত অন্য পদৰ সমাস হৈ সমষ্টি বা সমাহাৰ বুজালে দ্বিগু সমাস বোলে। এই সমাসত সংখ্যাবাচক পদটো আগত বহে আৰু মুঠ কৰি এক ভাব বুজায়। যেনে,

চাৰি আলি (চাৰিটা আলি য'ত লগ লাগিছে)
তিনি আলি (তিনিটা আলি য'ত লগ লাগিছে)
সাত বিহু— (সাতদিন ব্যাপি যি বিহু)
দোঘৰা (দুই ঘৰৰ মাজ) -

---

* বৈদিক ভাষা আৰু সংস্কৃতত এই সমাসৰ প্ৰচলন বেছি। যোৱা যোৰাকৈ ব্যৱহাৰ কৰা বাবে দ্বিবচনত ৰূপ কৰা হয়। দম্পতি, জম্পতি আৰু জায়াপতি শব্দৰ ১মা দ্বিবচনত দীৰ্ঘ ঈ-কাৰান্ত হৈছে। তেনেকৈ বৈদিক ভাষাত মিত্ৰাবৰুণা, পালি ভাষাত হত্তি-অস্সন (হাতী-ঘোঁৰা)।

তেবেটা (তিনি বাটৰ সংযোগ স্থল)
দোমাহী (দুই মাহৰ মাজৰ দিন)
নৱৰত্ন (নৱ ৰত্নৰ সমাহাৰ)
তেনেকৈ ত্ৰিলোক, ত্ৰিজগত।
পঞ্চামৃত (পঞ্চ বা পাঁচ বিধ অমৃতৰ সমাহাৰ)
ত্ৰিফলা (ত্ৰি বা তিনি ফলৰ সমাহাৰ)
দুপৰ (দুই পৰৰ সমাহাৰ)
সপ্তাহ (সপ্ত বা সাত অহ বা দিনৰ সমাহাৰ)

২৯ ঃ ১৪ দ্বিগু সমাসত কেতিয়াবা কেতিয়াবা অ-কাৰান্ত পদৰ পিছত 'আ' বা 'ঈ' যোগ কৰা হয়। যেনে—

দুই ঘৰৰ মাজৰ অংশ— দোঘৰা,
তিনি বাটৰ সংযোগ স্থল— তেবেটা,
দুই মাহৰ মাজৰ দিন— দোমাহী,
পাঁচ ৰং (বৰণ) যাৰ— পাঁচৰঙী,
ত্ৰি বা তিনি ফলৰ সমাহাৰ— ত্ৰিফলা।

## ৩। বহুব্ৰীহি সমাস *

২৯ ঃ ১৫ যি সমাসত সমস্তপদ ব্যস্ত পদবোৰৰ ব্যুৎপত্তিগত অৰ্থ নুবুজাই আন কোনো বিশেষ অৰ্থ বুজায়, তাক বহুব্ৰীহি সমাস বোলে। ব্ৰীহি মানে ধান ইয়াৰ অৰ্থ বহুত ধান থকা। এই সমাস হ'লে সাধাৰণতে পদটো বিশেষণ বা বিধেয় (Predicate) হয়। যথা—

শূৰ্পৰ (কুলাৰ) নিচিনা নখ যাৰ সেয়ে শূৰ্পণখা অৰ্থাৎ ৰাৱণৰ ভগিনী। ইয়াত কুলাৰ দৰে নখ থকা যি কোনো ৰাক্ষসিনী বা প্ৰাণীক কোৱা হোৱা নাই, ৰাৱণৰ ভগিনীকহে বুজাইছে। সেইবাবে শূৰ্পণখা বহুব্ৰীহি সমাস। তেনেকৈ, পিতলচকুৱা, সাধাৰণ পিতল আৰু চকু উভয়কে নুবুজায়, পিতলৰ দৰে বৰণৰ চকু যাৰ আছে সেই ব্যক্তিকহে বুজায়। তেনেকৈ, টেঁকীয়াপতীয়া, (টেঁকীয়া পাতৰ দৰে আঁচ যাৰ গাত— সি) নাহৰফুটুকী (নাহৰ ফুলৰ দৰে গাত ফুট্ ফুট্ যাৰ— সি) ; গজমূৰা (গজ অৰ্থাৎ হাতীৰ মূৰৰ দৰে সঘনে আঘাত পায় যাৰ মূৰে সি অৰ্থাৎ দুৰ্ভগীয়া)।

২৯ ঃ ১৬ বহুব্ৰীহি সমাসক তিনিটা ভাগত * ভগাব পাৰি যেনে, (ক) কৰ্মধাৰয় বহুব্ৰীহি বা সমানাধিকৰণ বহুব্ৰীহি, (খ) তৎপুৰুষ বহুব্ৰীহি বা ব্যাধিকৰণ বহুব্ৰীহি আৰু (গ) ব্যতিহাৰ বহুব্ৰীহি।

---

* সংস্কৃত ভাষাত বহুব্ৰীহি সমাসক বিভক্তি-প্ৰয়োগ মতে (১) সমানাধিকৰণ, (ব্যস্তপদ দুটা একে বিভক্তিৰ অৰ্থাৎ বিশেষণ-বিশেষ্য), (২) ব্যাধিকৰণ (ব্যস্তপদ দুটা একে বিভক্তিৰ নহৈ বিভিন্ন বিভক্তিৰ অৰ্থাৎ পূৰ্ব ব্যস্তপদ বিশেষণ নহয়) আৰু (৩) ব্যতিহাৰ ; এই তিনি ভাগত ভগাইছে। স্বৰ্গীয় কালিৰাম মেধিয়ে উক্ত বিভাগ কৰিছে।

**(ক) কৰ্মধাৰয় বা সমানাধিকৰণ বহুব্ৰীহি ঃ**

**২৯ ঃ ১৬** গুণবাচক বিশেষণ বা সমাৰ্থবোধক সংজ্ঞা শব্দ বিশেষ্য বিশেষণৰ দৰে অগাপিছাকৈ বহি তুলনা, সাদৃশ্য আদি ভাব বুজায়, তেনে বহুব্ৰীহি সমাসকেই কৰ্মধাৰয় বা সমানাধিকৰণ বহুব্ৰীহি সমাস বোলে। যথা—

পীত (হালধীয়া বৰণৰ) অম্বৰ (কাপোৰ) পিন্ধে যিয়ে তেৱেঁই পীতাম্বৰ (শ্ৰীকৃষ্ণ), কামীৰ নিচিনা (চটা) যি হাড় সেয়ে কামীহাড় (বুকুৰহাড়)। ইয়াত প্ৰথম ব্যস্তপদ বিশেষণৰ দৰে ব্যৱহাৰ হৈছে আৰু কামীৰ লগতে তুলনা বা সাদৃশ্যৰ ভাব বুজাই বিশেষ্য হাড়কহে বুজাইছে। তেনেকৈ নাওপেটা, বেজীমুৰা, নেউলমুৰা, লাউমূৰা, বাঘনেজীয়া, কুকুৰনেচীয়া, পিতলচকুৰা, নাহৰফুটুকী, শূৰ্পণখা (শূৰ্প-কুলা), কপাহগুটীয়া, নীলাম্বৰ (বলৰাম) ইত্যাদি।

**২৯ ঃ ১৬ (খ)** তুলনা বা সাদৃশ্যাৰ্থত গাৰ অংগবিশেষৰ লগত সমাস হ'লে সমস্ত পদত 'আ' বা 'ঈয়া' যোগ হয়। 'আ' যোগ হ'লে সমস্ত পদৰ অন্ত্য ই, ঈ, ঐ-ৰ পিছত 'য়' শ্ৰুতি আৰু ও, উ, ঊ, ঔ ধ্বনিৰ পিছত 'ৱ' শ্ৰুতি আগম হয়। যেনে—

ডাঙৰ দাঁত যাৰ সি— দঁতুৰা।
খৰা নাক যাৰ সি— খৰানকা।
নাওৰ দৰে পেট যাৰ সি— নাওপেটা।
কেৰা চকু যাৰ সি— কেৰাচকুৰা।
ফেঁচাৰ দৰে নাক যাৰ সি— ফেঁচানকা।
বাঘৰ দৰে নেজ যাৰ সি— বাঘনেজীয়া, কুকুৰনেচীয়া বা নেজীয়া।
ঢেঁকীয়াৰ পাতৰ দৰে আঁচ আছে যাৰ— ঢেঁকীয়াপতীয়া।
দীঘল হাত যাৰ সি— দীঘলহতীয়া।

**২৯ ঃ ১৭** মুখ শব্দৰ লগত সমাস হ'লে মুখৰ ঠাইত মুৰা ব্যৱহাৰ হয়। যথা-
নেউলৰ দৰে মুখ যাৰ সি— নেউলমুৰা।
বেজীৰ দৰে জোঙা মুখ যাৰ সি— বেজীমুৰা।

**(খ) ব্যধিকৰণ বহুব্ৰীহি বা তৎপুৰুষ বহুব্ৰীহি ঃ**

**২৯ ঃ ১৮** যি বহুব্ৰীহি সমাসত ব্যস্তপদে সম্বন্ধ শব্দৰ বা অধিকৰণৰ অৰ্থ প্ৰকাশ কৰে তাকেই তৎপুৰুষ বহুব্ৰীহি বোলে। যথা—

মাটিত হোৱা কঁঠালৰ তুল্য ফল যি সেয়ে— মাটিকঁঠাল।
কঁঠালৰ দৰে ফল মাটিত হয় বাবেই— মাটিকঁঠাল বা আনাৰস।
গছত হয় যি আলু সেয়ে— গছআলু।
বনত থাকে যি বিড়াল সেয়ে— বনবিড়াল (হেঁপা)।
বনত যি ভোজ হয় সেয়ে— বনভোজ।
বাটত থকা চ'ৰা ঘৰ যি সেয়ে— বাটচ'ৰা।

বীণা আছে পাণিত (হাতত) যাৰ— বীণাপাণি (সৰস্বতী)
পদ্ম আছে নাভিত যাৰ তেৱেঁই— পদ্মনাভ (কৃষ্ণ)
চক্ৰ আছে পাণিত যাৰ তেওঁ— চক্ৰপাণি (শ্ৰীকৃষ্ণ বা বিষ্ণু)
বজ্ৰ আছে পাণিত (হাতত) যাৰ তেওঁ— বজ্ৰপাণি (ইন্দ্ৰ)।
বৃক নামে অগ্নি উদৰত আছে যাৰ তেওঁ— বৃকোদৰ (ভীম)
শূল আছে পাণিত যাৰ— শূলপাণি (মহাদেৱ)।

**(গ) ব্যতিহাৰ বহুব্ৰীহি ঃ**

**২৯ ঃ ১৯** পৰস্পৰ একে ৰকম কাৰ্য কৰা বুজালে ব্যতিহাৰ বহুব্ৰীহি সমাস বোলে। এই সমাসত আগৰ ব্যস্তপদত 'আ' আৰু পিছৰ ব্যস্ত পদত 'ই' যোগ হয়। যথা—

পৰস্পৰ হাতে হাতে যি যুদ্ধ সেয়ে হতাহতি ; পৰস্পৰ চুলিয়ে চুলিয়ে ধৰি যি যুদ্ধ সেয়ে— চুলিয়াচুলি ('ই'ৰ পিছত 'অ' যোগ হোৱাত 'য়' শ্ৰুতি আগম হৈছে)। তেনেকৈ দবৰাদবৰি, মুখামুখি, ৰক্তাৰক্তি, মৰামৰি ইত্যাদি।

**২৯ ঃ ২০** (১) বহুব্ৰীহি সমাসত ধৰ্ম শব্দ অন্ত্যপদ হ'লে সি সংস্কৃত আ-কাৰান্ত আৰু অসমীয়াত ঈ-কাৰান্ত হয়। যথা—

বিগত হৈছে যাৰ ধৰ্ম সেয়ে— বিধৰ্মা; কিন্তু অসমীয়াত বিধৰ্মী, নাভি শব্দৰ ঠাইত নাভ হয় ; যেনে, পদ্মৰ নিচিনা নাভি যাৰ সি— পদ্মনাভ (শ্ৰীকৃষ্ণ, বিষ্ণু), উৰ্ণ নাভিত যাৰ সেয়ে— উৰ্ণনাভ (মকৰা)।

অক্ষি শব্দৰ ঠাইত অক্ষ হয়। যথা—

পুণ্ডৰীকৰ দৰে অক্ষি (চক্ষু) যাৰ সেয়ে— পুণ্ডৰীকাক্ষ।

(২) বহুব্ৰীহি সমাসত শেষৰ পদ যদি ব্যঞ্জনান্ত, ঋ-কাৰান্ত বা ঈ-কাৰান্ত (স্ত্ৰী প্ৰত্যয়) হয় তেন্তে তাৰ পিছত সাধাৰণতে 'ক' যোগ হয়। যথা—

অন্যত মন যাৰ সি— অন্যমনস্ক, অধিক বয়স হৈছে যাৰ সি— অধিকবয়স্ক, প্ৰাপ্ত হৈছে বয়স যাৰ সি— প্ৰাপ্তবয়স্ক, নদী মাতা (মাতৃ) যাৰ সি— নদীমাতৃক, বিগত হৈছে পত্নী যাৰ সি— বিপত্নীক।

(৩) সহ, সমান, সৈতে, শব্দৰ লগত সমাস হ'লে ইহঁতৰ ঠাইত কেৱল 'স' হৈ থাকে। তেনেকৈ 'মহৎ' শব্দৰ ঠাইত 'মহা' হয়। যথা—

সমান গোত্ৰ যাৰ সেয়ে— সগোত্ৰ,
সমান (একে) উদৰৰপৰা জন্ম যাৰ সেয়ে— সহোদৰ, সোদৰ,
শিষ্যৰ সৈতে বৰ্তমান— সশিষ্য,
বন্ধু বা বান্ধৱৰ সৈতে বৰ্তমান— সবান্ধৱ,
মহান বা মহৎ পুৰুষ যি তেৱেঁই— মহাপুৰুষ,
তেনেকৈ সপুত্ৰ, মহাশয়, মহোদয়, সদয়, সজাতি, সপৰিবাৰ, সচিত্ৰ ইত্যাদি।

(৪) স্ত্ৰীলিংগবাচক বিশেষ্য আৰু বিশেষণৰ সমাস হ'লে সাধাৰণতে বিশেষণৰ স্ত্ৰী-প্ৰত্যয় লোপ পায়। যথা—

স্থিৰ প্ৰতিজ্ঞা, যাৰ সি— স্থিৰপ্ৰতিজ্ঞ,
বিগত শ্ৰদ্ধা যাৰ সি— বিগতশ্ৰদ্ধ,
বীতা (অৰ্থাৎ বিগতা) হৈছে স্পৃহা যাৰ— বীতস্পৃহ,
স্থিৰ বুদ্ধি আছে যাৰ সি— স্থিৰবুদ্ধি।

(৫) পুতি (বিষ্ঠা) সু বা সুৰভি শব্দ আগত থাকিলে গন্ধ শব্দৰ পিছত 'ই' যোগ হয়। যথা—

পূতিৰ (বিষ্ঠাৰ) দৰে গন্ধ যাৰ সেয়ে— পূতিগন্ধি।
স্বাভাৱিকতে সু (ভাল) গন্ধ যাৰ সেয়ে— সুগন্ধি।
তেনেকৈ সুৰভিগন্ধি।

কিন্তু স্বাভাৱিকতে নহৈ অন্যৰ সহযোগত গন্ধ ওলোৱা বুজালে 'ই' যোগ নহয়। যথা—

সুগন্ধ বায়ু (বায়ুৰ নিজা গন্ধ নাই, অন্য গন্ধ থকা বস্তুৰ সহযোগত গন্ধ ওলোৱা বাবে ইয়াত ই যোগ হোৱা নাই)। তেনেকৈ, সুগন্ধি তেল, সুগন্ধ পানী।

**২৯ ঃ ২১** (১) নঞৰ্থ বুজোৱা ন যোগত বহুব্ৰীহি সমাস হ'লে ব্যঞ্জনৰ আগত 'ন'ৰ ঠাইত 'অ' হয়, আৰু স্বৰবৰ্ণৰ আগত অন্ হয়। যথা— নাই আদি যাৰ সেয়ে-- অনাদি (ঈশ্বৰ), নাই জন্ম যাৰ সেয়ে— অজ, নাই অন্ত যাৰ সেয়ে— অনন্ত।

(২) আগত নঞ্ থাকি বহুব্ৰীহি সমাস হ'লে কেতিয়াবা সমস্ত পদৰ শেষত 'ক' আগম হয়। যেনে—

নাই ৰজা য'ত— অৰাজক, নাই অৰ্থ য'ত সি— অনৰ্থক, নিৰৰ্থক।
নাই পুত্ৰ যাৰ সি— অপুত্ৰক বা অপুত্ৰ ইত্যাদি।

**২৯ ঃ ২২** কৰ্তা আৰু ক্ৰিয়াৰ বহুব্ৰীহি সমাস হ'লে ক্ৰিয়াটো কৃদন্ত হয় অৰ্থাৎ ক্ৰিয়াত 'আ' যোগ হৈ সমস্ত পদ বিশেষণ হয়। ক্ৰিয়াটো অকৰ্মক হ'লে কৰ্তাৰ বিভক্তি লোপ পায়। যথা—

যি হাবিত বাঘ থাকে সি— বাঘ থকা হাবি,
যি গছৰ পাত সৰিছে সেয়ে— পাত সৰা গছ,
তেনেকৈ মানুহ মৰা ঘৰ, ল'ৰা শোৱা পাটী, সাপ থকা গাঁত।

কিন্তু সকৰ্মক হ'লে কৰ্তাৰ বিভক্তি লোপ নহয়। যথা—

ভূতে পাইছে যাক— ভূতেপোৱা, বাঘে খাইছে যাক সি— বাঘে খোৱা, চোৰে নিছে যি গৰু সেয়ে— চোৰে নিয়া গৰু। তেনেকৈ ঘূণে ধৰা বাঁহ, মামৰে ধৰা লো, পৰুৱাই পোৱা মানুহ ইত্যাদি।

## ৪। কৰ্মধাৰয় সমাস

**২৯ ঃ ২৩** যি সমাসত ব্যস্তপদবোৰ বিশেষ্য আৰু বিশেষণৰূপে সম্বন্ধযুক্ত হয় তাকেই কৰ্মধাৰয় সমাস বোলে। এই সমাসত শেষৰ পদটোৰ সংজ্ঞা শব্দ আৰু প্ৰথম পদটো বিশেষণ ৰূপে ব্যৱহাৰ হয়। যথা—

পিতল বৰণৰ যি চকু সি পিতলচকু। ইয়াত 'চকু' বিশেষ্য পদৰ পিতল বিশেষণ ৰূপে ব্যৱহাৰ হৈছে। তেনেকৈ দুষ্ট যি বুদ্ধি— দুষ্টবুদ্ধি; বেজী-দাঁত, বাঘ-জৰী, ভেট-গুটি, সেইদৰে বাঘঢকা (বাঘে মৰা ঢকাৰ দৰে যি ঢকা সি), বাঘ আঁচোৰ (বাঘৰ দৰে আঁচোৰ যি সি), আধাসিজা, আধাখুন্দা (আধা যি খুন্দা, সি, কিন্তু আধাখুন্দা চাউলৰ গুড়িক বিশেষকৈ বুজালে বহুব্ৰীহি সমাস), আদ্ মোন (আধা, আদ্) আদ্ সেৰ।

২৯ ঃ ২৪ কৰ্মধাৰয় সমাসত বিশেষণ পদ আগত বহে, যথা—

মৰু যি ভূমি সি— মৰুভূমি, শুক্ল যি পক্ষ সি— শুক্লপক্ষ। তেনেকৈ সাধুপুৰুষ, থুলন্তৰ পুৰুষ, দুষ্টবুদ্ধি, জধামুৰ্খ, পুণ্যভূমি, নীলমণি, ফটা কাপোৰ, উৰাজাহাজ, ভঙাসভা, পকামিঠৈ ইত্যাদি।

২৯ ঃ ২৫ দুটা সংজ্ঞা শব্দ ব্যৱহাৰ হ'লে এটিক আনটিৰ বিশেষণ বুলি ধৰা হয়। যেনে— ঋষিব্যাস, পিতৃদেৱ, স্বৰ্গদেৱ, আইমাতৃ, মালতীফুল, বাঁদুলিসঁচাৰ, মাৰলঘৰ, পানী দুৱাৰ, পোনামাছ, চোৰচাং ইত্যাদি।

২৯ ঃ ২৬ দুটা বিশেষণ পদৰ ভিতৰতে কৰ্মধাৰয় সমাস হয়। যথা— ডাঙৰ-দীঘল, মৃদুমধুৰ, হৃষ্টপুষ্ট, পৰমজ্ঞানী।

২৯ ঃ ২৭ কিছুমান কৰ্মধাৰয় সমাসত পিছত বহিব লগীয়া পদ আগত বহে। যথা—

উত্তম যি পুৰুষ—পুৰুষোত্তম, অধম যি নৰ—নৰাধম, পিটিকা যি আলু—আলুপিটিকা, সিদ্ধ যি আলু— আলুসিদ্ধ, ভজা যি বুট (চানা) বুটভজা (চানাভাজা), ভজা যি আলু— আলুভজা, ভজা যি বেঙেনা— বেঙেনাভজা (ভাজি), পোৰা যি মাছ-- পোৰামাছ, পোৰা যি বেঙেনা— বেঙেনাপোৰা।

২৯ ঃ ২৮ স্বৰবৰ্ণৰ পিছত থাকিলে 'কু'ৰ ঠাইত 'কদ' হয়; যথা, কু আচাৰ-- কদাকাৰ, কু-অভ্যাস— কদাভ্যাস, কু-আকাৰ— কদাকাৰ কিন্তু পুৰুষ শব্দ পিছত থাকিলে 'কু' বা 'কা' হয়। যেনে—

কু যি পুৰুষ— কু পুৰুষ বা কাপুৰুষ (ভীৰু)।

২৯ ঃ ২৯ অন্য শব্দৰ লগত লোক, দেশ আদি শব্দৰ কৰ্মধাৰয় সমাস হ'লে অন্য শব্দৰ ঠাইত 'অন্তৰ' আগম হয় আৰু শব্দটোৰ পিছত বহে। যথা—

অন্য লোক— লোকান্তৰ, অন্য দেশ— দেশান্তৰ ইত্যাদি।

২৯ ঃ ৩০ এটা বস্তুৰ সৈতে আন এটিক ৰিজালে সিহঁতৰ কৰ্মধাৰয় সমাস হয়। সমাস হ'লে ৰিজনি বোধক শব্দ (যেনে— তুল্য, নিচিনা, দৰে, সদৃশ, নামে, অধিক, প্ৰধান, আদি) লোপ পায়। সমাস হোৱা পদকেইটিৰ মাজত বা শেষত এইদৰে পদ লোপ পোৱা অনুযায়ী কৰ্মধাৰয় সমাসক দুটি ভাগ কৰা হৈছে (ক) মধ্যপদলোপী আৰু (খ) অন্ত্যপদলোপী কৰ্মধাৰয়।

২৯ ঃ ৩১ (ক) মধ্যপদলোপী কৰ্মধাৰয় ঃ যি কৰ্মধাৰয় সমাসৰ ব্যাসবাক্যৰ মধ্যস্থিত পদ লোপ পায় তাকেই মধ্যপদলোপী কৰ্মধাৰয় বোলে। যেনে— চন্দ্ৰৰ তুল্য (নিচিনা, দৰে, সদৃশ), বদন (মুখ) চন্দ্ৰবদন, পদ্মৰ নিচিনা (তুল্য, সদৃশ) লোচন—

পদ্মলোচন, অগ্নি নিৰ্গত হোৱা বাণ— অগ্নিবাণ, সিংহ অংকিত আসন— সিংহাসন, ভিক্ষা লব্ধ অন্ন—ভিক্ষান্ন, পল (মাংস) মিশ্ৰিত অন্ন—পলান্ন, বশিষ্ঠ নামে মুনি— বশিষ্ঠমুনি, ঘৃতমিশ্ৰিত অন্ন— ঘৃতান্ন, গজৰ নিচিনা মুৰ্খ— গজমুৰ্খ।

২৯ ঃ ৩২ (খ) **অন্ত্যপদলোপী কৰ্মধাৰয় ঃ** যি কৰ্মধাৰয় সমাসৰ ব্যাসবাক্যৰ শেষ পদ লোপ পায় তাকেই অন্ত্যপদলোপী কৰ্মধাৰয় বোলে। যেনে— মুখ চন্দ্ৰৰ নিচিনা— মুখচন্দ্ৰ, বিদ্যা সাগৰৰ তুল্য (সদৃশ) বিদ্যাসাগৰ, জ্ঞান ৰত্নৰ তুল্য— জ্ঞানৰত্ন, চিন্তা অনলৰ (জুইৰ) নিচিনা— চিন্তানল, বিদ্যাধনৰ সদৃশ— বিদ্যাধন, বাক্য অমৃতৰ তুল্য (নিচিনা) — বাক্যামৃত।

**২৯ ঃ ৩৩ ৰিজনিৰ ফালৰপৰা কৰ্মধাৰয় সমাসক আকৌ তিনি ভাগত ভগাব** পাৰি। (ক) উপমান কৰ্মধাৰয়, (খ) উপমিত কৰ্মধাৰয় আৰু (ক) ৰূপক কৰ্মধাৰয়।

২৯ ঃ ৩৪ সাদৃশ্য বা ৰিজনি অনুসাৰে যাৰে সৈতে উপমা দিয়া হয় তাকেই উপমান আৰু যাক অন্যৰ লগত ৰিজনি কৰা হয় তাক উপমেয় বা উপমিত কোৱা হয়। যি সাধাৰণ গুণ বা লক্ষণৰ বাবে উপমান আৰু উপমেয়ক তুলনা বা সাদৃশ্য দেখুওৱা হয় সেই গুণ বা লক্ষণক **সাধাৰণ ধৰ্ম বা সামান্য গুণ বা সামান্য ধৰ্ম** বোলা হয়।

২৯ ঃ ৩৫ (ক) **উপমান কৰ্মধাৰয় ঃ** সাধাৰণ গুণ বা সামান্য ধৰ্মবাচক পদৰ লগত উপমান বাচক পদৰ যি কৰ্মধাৰয় সমাস হয়, তাকেই উপমান কৰ্মধাৰয় বোলে। যেনে— কুসুমৰ নিচিনা কোমল— 'কুসুমকোমল', ইয়াত তুলনা বা উপমা হিচাপে 'কুসুম' শব্দ আৰু সাধাৰণ কৰ্ম 'কোমলতা' বুজাবলৈ কোমল পদৰ সমাস হৈছে, তেনেকৈ গাখীৰৰ দৰে বগা— গাখীৰবগা, তেজৰ দৰে ৰঙা— তেজৰঙা, আঙাৰৰ নিচিনা ক'লা— আঙাৰ ক'লা, বজ্ৰৰ নিচিনা কঠোৰ— বজ্ৰকঠোৰ।

২৯ ঃ ৩৬ (খ) **উপমিত কৰ্মধাৰয় ঃ** সাধাৰণ গুণ বা সামান্য ধৰ্মবাচক শব্দ উল্লেখ নাথাকিলে উপমিত বা উপমেয় শব্দৰ লগত উপমান পদৰ যি সমাস হয় তাকেই উপমিত কৰ্মধাৰয় বোলে। এই সমাসত উপমান আৰু উপমেয়ৰ মাজত সদৃশ কল্পনা কৰা হয় আৰু উপমেয় পদটো আগত বহে। যথা— চৰণ কমলৰ তুল্য— চৰণ কমল, মুখ পদ্মৰ নিচিনা— মুখপদ্ম, জীৱন নৈৰ তুল্য— জীৱননৈ।

২৯ ঃ ৩৭ (গ) **ৰূপক কৰ্মধাৰয় ঃ** যি কৰ্মধাৰয় সমাসত উপমান আৰু উপমেয় একেবাৰে অভেদ্য কল্পনা কৰা হয়, তাকে ৰূপক কৰ্মধাৰয় বোলে। যথা— বিদ্যা ৰূপ ধন—বিদ্যাধন, আনন্দ ৰূপ সাগৰ— আনন্দ-সাগৰ, কোপ ৰূপ অগ্নি— কোপাগ্নি।

ৰূপক কৰ্মধাৰয় ব্যাসবাক্যত 'ৰূপ' শব্দ প্ৰয়োগ কৰা হয়।

## ৫। তৎপুৰুষ সমাস

২৯ ঃ ৩৮ যি সমাজত দুটা **ব্যস্তপদৰ** প্ৰথমটো প্ৰথমাৰ বাহিৰে অন্য বিভক্তি থাকে আৰু এই বিভক্তি লোপ হৈ **সমাস হয়** আৰু শেষ ব্যস্তপদৰ অৰ্থই প্ৰধান

হয়, তাকেই **তৎপুৰুষ সমাস** বোলে। 'তৎপুৰুষ' শব্দৰ অৰ্থ হৈছে 'ত'ৰ সম্পৰ্কীয় 'পুৰুষ'। ব্যস্তপদ দুটাৰ শেষৰটোৰ লিংগানুযায়ী সমাসবদ্ধ পদটোৰ লিংগ নিৰ্ণয় কৰা হয়। কৰ্ম, কৰণ, অপাদান আৰু অধিকৰণ অৰ্থত শেষৰ পদটো কৃদন্ত হয় আৰু সম্প্ৰদান বা সম্বন্ধ অৰ্থত সদায় সংজ্ঞা শব্দ হয়।

প্ৰথম ব্যস্তপদৰ বিভিন্ন বিভক্তি লোপ হোৱা অনুযায়ী তৎপুৰুষ সমাসক কৰ্তাকাৰকৰ প্ৰথমা বিভক্তিৰ বাহিৰে বাকী ছয় বিভক্তিৰ নামানুসৰি ছয় ভাগত ভগাব পাৰি। যেনে— (ক) দ্বিতীয়া তৎপুৰুষ, (খ) তৃতীয়া তৎপুৰুষ, (গ) চতুৰ্থী তৎপুৰুষ, (ঘ) পঞ্চমী তৎপুৰুষ, (ঙ) ষষ্ঠী তৎপুৰুষ আৰু (চ) সপ্তমী তৎপুৰুষ।

২৯ ঃ ৩৯ (ক) **দ্বিতীয়া তৎপুৰুষ ঃ** দুটা ব্যস্তপদৰ আগৰটোৰ দ্বিতীয়া বিভক্তি লোপ হৈ সমাস হ'লে **দ্বিতীয়া** তৎপুৰুষ বোলে। যেনে— কাণ (ক) খোৱা-কাণ-খোৱা। তেনেকৈ মুধা-ফুটা, সেপঢোকা, কাঠকটা, পিপৰা গুচোৱা, চোৰ-ধৰা, পুথি লিখা, পহুমৰা, ভকত-সেৱা, ঠাকুৰ সেৱা, মাতৃপূজা, গুৱাকটা, পদুলিসুঙা, স্বৰ্গপ্ৰাপ্তি, লক্ষ্যভেদ, প্ৰাণপন, বিপদ (ক) আপন্ন বিপদাপন্ন, সাহায্যপ্ৰাপ্ত ইত্যাদি।

২৯ ঃ ৪০ (খ) **তৃতীয়া তৎপুৰুষ ঃ** প্ৰথম ব্যস্তপদৰ তৃতীয়া বিভক্তি লোপ হৈ সমাস হ'লে **তৃতীয়া তৎপুৰুষ** বোলা হয়। যেনে— বৰশীৰে মৰা— বৰশীমৰা (মাছ), হাতেৰে সজা— হাতেসজা, হাতেৰে বোৱা—হাতেবোৱা (কাপোৰ), হাতেৰে কটা— হাতেকটা (সুতা), মনেৰে গঢ়া— মনেগঢ়া, ধূলিৰে ভৰা— ধূলিভৰা, জুয়েৰে পোৰা— জুইপোৰা, অগ্নিৰে দল— অগ্নিদল ইত্যাদি।

২৯ ঃ ৪১ (গ) **চতুৰ্থী তৎপুৰুষ ঃ** প্ৰথম ব্যস্তপদৰ ৪ৰ্থী বিভক্তি লোপ হৈ সমাস হ'লে **চতুৰ্থী তৎপুৰুষ** বোলে। উভয় পদে সংজ্ঞা শব্দ হয়। যেনে— ডেকালৈ চাং— ডেকাচাং, গুৰুলৈ দক্ষিণা— গুৰুদক্ষিণা, মাতৃলৈ ভক্তি— মাতৃভক্তি, হোমলৈ খৰি— হোমখৰি, পিঠালৈ (বা পিঠাৰ বাবে) গুড়ি— পিঠাগুড়ি, পিকলৈ দান— পিকদান, গোপাললৈ ভোগ— গোপালভোগ, মহীলৈ (বা মহীৰ বাবে) চুঙা—মহীচুঙা, ৰজালৈ কৰ— ৰাজকৰ, ইত্যাদি।

২৯ ঃ ৪২ (ঘ) **পঞ্চমী তৎপুৰুষ ঃ** প্ৰথম ব্যস্তপদৰ ৫মী বিভক্তি লোপ হৈ সমাস হ'লে **পঞ্চমী তৎপুৰুষ** বোলে। যেনে— গছৰ পৰা সৰা— গছসৰা (ফল), পদৰপৰা চ্যুত— পদচ্যুত, যোগৰপৰা ভ্ৰষ্ট— যোগভ্ৰষ্ট, বন্ধনৰপৰা মুক্ত— বন্ধন মুক্ত, গজৰপৰা পোৱা— (হোৱা) মুক্ত— গজমুক্ত বা গজমুকুতা, শাপৰপৰা মুক্ত— শাপমুক্ত, ঋণৰপৰা মুক্ত,— ঋণমুক্ত, জন্মৰপৰা অন্ধ— জন্মান্ধ, বিলাতৰপৰা ফেৰত— বিলাতফেৰত, আগৰপৰা গুৰি— আগগুৰি ইত্যাদি।

২৯ ঃ ৪৩ (ঙ) **ষষ্ঠী তৎপুৰুষ ঃ** প্ৰথম ব্যস্তপদৰ ষষ্ঠী বিভক্তি লোপ হৈ সমাস হ'লে **ষষ্ঠী তৎপুৰুষ** বোলে। এই সময়ত উভয় পদেই সংজ্ঞা শব্দ হয়। **যথা**—

জুইৰশাল— জুহাল, নগৰৰ ঢাৰি—নগাঢাৰি, গছৰ তল— গছতল, পৰৰ অধীন—পৰাধীন, বৰ (thread's) চুঙা— বচুঙা, মৌৰ চাক— মৌচাক, পুথিৰ ভঁৰাল—পুথিভঁৰাল, দেৱৰ আলয়— দেৱালয়, মালৰ গাড়ী—মালগাড়ী।

**২৯ ঃ ৪৪** তুল্য, সদৃশ শব্দৰ যোগত ষষ্ঠী বিভক্তি লোপ হৈ হোৱা সমাসবদ্ধ পদ সাধাৰণতে বিশেষণ হয়। যেনে—

পিতৃৰতুল্য— পিতৃতুল্য (ব্যক্তি), মাতৃৰ তুল্য— মাতৃতুল্য (মহিলা), দেৱৰ সদৃশ— দেৱসদৃশ (লোক)।

**২৯ ঃ ৪৫ (চ) সপ্তমী তৎপুৰুষ ঃ** প্ৰথম ব্যস্তপদৰ অধিকৰণৰ সপ্তমী বিভক্তি লোপ হৈ সমাস হ'লে **সপ্তমী তৎপুৰুষ** বোলে। শেষৰ পদটো সাধাৰণতে কৃদন্ত সংজ্ঞা বিশেষণ হয়। যথা—

গছত পকা—গছপকা, তলত সৰা— তলসৰা, পিতৃত ভক্তি— পিতৃভক্তি, মাতৃত ভক্তি— মাতৃভক্তি, ৰণত পণ্ডিত—ৰণপণ্ডিত, ৰণত কুশল— ৰণকুশল, ঘৰত ওপজা-- ঘৰওপজা, বনত জাত— বনজাত, জলত মগ্ন— জলমগ্ন, সত্যত আগ্ৰহ— সত্যাগ্ৰহ, গৃহত বাস— গৃহবাস, মৌত সনা— মৌসনা, খৰিকাত দিয়া—খৰিকাদিয়া, কথাত চহকী-- কথাচহকী, বনত বাস—বনবাস, দিনত কণা—দিনকণা, কাৰ্যত দক্ষ—কাৰ্যদক্ষ, জপাত পুৰণি— জপাপুৰণি, ইত্যাদি।

**২৯ ঃ ৪৬ উপপদ সমাস বা উপপদ তৎপুৰুষ ঃ**

সংস্কৃত ভাষাত উপসৰ্গৰ বাহিৰে কৃত প্ৰত্যয়ান্ত ধাতুৰ আগত যি পদ থাকে তাকেই উপপদ বোলে। যেনে— কুম্ভ-কৃ (ধাতু) + ষণ— কুম্ভকাৰ। ইয়াৰ কুম্ভ-উপপদ। এইদৰে উপপদৰ সৈতে কৃদন্ত শব্দৰ সমাস হ'লে **উপপদ সমাস** বোলে। যথা—

পদৰ দ্বাৰা পান কৰে যি— পাদ-পা + ড = পাদপ (গছ)

পংকত জন্মে যি— পংক-জন্ + ড = পংকজ,

জলত চৰে যি— জল চৰ্ + অ = জলচৰ, তেনেকৈ খেচৰ,

গৃহত থাকে যি সেয়ে— গৃহ-স্থা + ক = গৃহস্থ।

অগ্ৰে (আগত) জন্ম যাৰ— অগ্ৰ-জন + ড = অগ্ৰজ।

তেনেকৈ মৃত্যুঞ্জয়, অনুজ, গদাধৰ, গংগাধৰ, হলধৰ ইত্যাদি।

উপপদবোৰৰ বিভক্তি লুপ্ত হৈ থাকে বাবেই উপপদ তৎপুৰুষ বুলিহে জনা যায়।

**২৯ ঃ ৪৭ নঞ তৎপুৰুষ সমাস ঃ**

অভাৱ, নিষেধ, বিৰোধী, নোহোৱা অৰ্থ বুজাবলৈ নঞ (ন) অব্যয়ৰ লগত, অন্য কোনো পদৰ সমাস হ'লে তাক নঞ তৎপুৰুষ সমাস বোলে। পিছৰ পদটোৰ আদিতে ব্যঞ্জনবৰ্ণ থাকিলে 'ন'ৰ ঠাইত 'অ' হয় আৰু স্বৰবৰ্ণ থাকিলে 'ন'ৰ ঠাইত 'অন' হয়। যথা—

ন ন্যায়—অন্যায়, ন কাল— অকাল, ন পাপ— অপাপ, ন লৌকিক— অলৌকিক ; কিন্তু ন উচিত— অনুচিত, ন ইচ্ছা— অনিচ্ছা, ন উন্নত— অনুন্নত।

**২৯ ঃ ৪৮** নঞ অব্যয় বিভিন্ন অৰ্থত ব্যৱহাৰ হয়, তলত আলোচিত হ'ল-

সদৃশ অৰ্থত ন— অব্ৰাহ্মণ

অভাৱ অৰ্থত ন— অধৰ্ম, অহিত (ধৰ্মৰ অভাৱ, হিতৰ অভাৱ)

ভিন্ন অৰ্থত ন– অলৌকিক (লৌকিক ভিন্ন), অসবৰ্ণ

অল্প অৰ্থত ন – অকেশী

বিৰোধ অৰ্থত ন–অৰীতি (ৰীতি বিৰুদ্ধ), অনীতি, অবিধি

অপ্ৰশস্ত অৰ্থত ন–অকাল, অসাধ্য, অবাট

**২৯ ঃ ৪৯** দণ্ড শব্দৰ লগত 'ন'ৰ ঠাইত 'অ'ৰ সলনি 'উ' হয়। যথা, ন দণ্ড- উদণ্ড।

**২৯ ঃ ৫০** নঞ্ তৎপুৰুষ বুজাবলৈ আধুনিক অসমীয়াত আৰ্য ভিন্ন অব্যয় শব্দৰ ব্যৱহাৰ বা উপৰোক্ত নিয়মৰ ব্যতিক্ৰম দেখা যায়। যথা–

ন চৰকাৰী– বেচৰকাৰী (ইয়াত অচৰকাৰী নহৈ ফাৰ্চী 'বে' যোগ হৈছে)। তেনেকৈ ন মিল– গৰমিল।

ন মঞ্জুৰ– নামঞ্জুৰ (ইয়াত অমঞ্জুৰ নহৈ 'না' যোগ হৈছে)।

ন কটা– অনাকটা ইয়াত অকটা নহৈ 'অনা' যোগ হৈছে (বিবাহৰ আৱশ্যক কাপোৰ বুজালে ই বহুব্ৰীহি সমাস)।

ন পুংসক– নপুংসক (ইয়াত 'ন'ৰ ঠাইত 'অ' নহৈ 'ন' অপৰিৱৰ্তিত আছে)।

ন তাঁৰ– অনাতাঁৰ (ইয়াত 'ন'ৰ ঠাইত 'অ' নহৈ 'অনা' হৈছে)। ন + অতিদীৰ্ঘ- - নাতিদীৰ্ঘ (ইয়াত 'ন'ৰ ঠাইত 'অন' নহৈ 'ন' অপৰিৱৰ্তিত আছে)।

ন অতি শীতোষ্ণ– নাতিশীতোষ্ণ (ইয়াত 'ন' অপৰিৱৰ্তিত আছে)।

ন স্বীকাৰ্য– অস্বীকাৰ্য।

ন অস্বীকাৰ্য– অনস্বীকাৰ্য (ইয়াত নঞৰ্থক অস্বীকাৰ্য শব্দটোক আকৌ নঞৰ্থ কৰা হৈছে ইতিবাচক)।

নাই হক– অনাহক ('ন'ৰ ঠাইত 'অনা' হৈছে)।

**২৯ ঃ ৫১ প্ৰাদি তৎপুৰুষ ঃ**

নিন্দাৰ্থক কু শব্দ আৰু প্ৰ-কে আদি কৰি কিছুমান অব্যয় শব্দ বা উপসৰ্গৰ লগত কৃদন্ত বা বিশেষ্য পদৰ যি সমাস হয় তাকেই প্ৰাদি তৎপুৰুষ সমাস বোলে। যথা–

কুৎসিৎ পুৰুষ– কুপুৰুষ (কুশ্ৰী), কাপুৰুষ (ভীৰু)।

কুৎসিৎ বিপ্ৰ– কুবিপ্ৰ

শোভন পুৰুষ– সুপুৰুষ

দুষ্ট জন– দুৰ্জন

প্ৰকৃষ্ট পিতামহ– প্ৰপিতামহ (আজোককা)

দুষ্ট চৰিত্ৰ– দুশ্চৰিত্ৰ

দুষ্ট নীতি– দুৰ্নীতি ইত্যাদি।

## ৬। অব্যয়ীভাৱ

২৯ ঃ ৫২ অব্যয় শব্দৰ আগত বহি সামীপ্য, অভাৱ, পৰ্যন্ত, সদৃশ, যোগ্যতা আদি অৰ্থ প্ৰকাশ কৰিলে যি সমাস হয়, তাক অব্যয়ীভাৱ সমাস বোলে। এই সমাসত অব্যয়ৰ অৰ্থই প্ৰধান হয় আৰু সমস্ত পদটোৱে ক্ৰিয়া বিশেষণৰ দৰে অৰ্থ প্ৰকাশ কৰে। এই সমাসত পিছৰ অব্যয় শব্দ আগত বহে। যথা—

সামীপ্য অৰ্থত ঃ কূলৰ সমীপ অৰ্থত কূলৰ উপ— উপকূল, তেনেকৈ বনৰ সমীপ— উপবন, স্থানৰ সমীপ— উপস্থান বা বাথান, (সামীপ্য অৰ্থত উপ অব্যয় ব্যৱহাৰ হয়)।

অভাৱ অৰ্থত (নি, নিৰ্, দূৰ উপসৰ্গ) ঃ সুখৰ অভাৱ—অসুখ (ন সুখ), ধৰ্মৰ অভাৱ— অধৰ্ম (ন ধৰ্ম), বিঘিনি বা বিঘিনিৰ অভাৱ— নিৰ্বিঘ্ন, আমিষৰ অভাৱ—নিৰামিষ, ভিক্ষাৰ অভাৱ—দুৰ্ভিক্ষ।

বীপ্সা অৰ্থত (পুনঃ পুনঃ অৰ্থত প্ৰতি, অনু অব্যয়) ঃ দিনে দিনে— প্ৰতিদিনে, ঘৰে ঘৰে— প্ৰতিঘৰে, ক্ষণে ক্ষণে—অনুক্ষণে, ক্ৰমে ক্ৰমে—অনুক্ৰমে।

পৰ্যন্ত অৰ্থত (আ যাবৎ) ঃ জীৱন পৰ্যন্ত— আজীৱন, জানু (আঁঠু) পৰ্যন্ত— আজানু, বাল বৃদ্ধ আৰু বণিতা পৰ্যন্ত—আবালবৃদ্ধ-বণিতা, মূল পৰ্যন্ত— আমূল, মৰণ পৰ্যন্ত—আমৰণ, জীৱন পৰ্যন্ত বা যাৱৎজীৱন, আজীৱন, তেনেকৈ আকণ্ঠ, আপদমস্তক ইত্যাদি।

সাদৃশ অৰ্থত (অনু, প্ৰতি অব্যয়) ঃ ৰূপৰ সাদৃশ— অনুৰূপ বা প্ৰতিৰূপ, ধ্বনিৰ সদৃশ—প্ৰতিধ্বনি, মূৰ্তি সদৃশ—প্ৰতিমূৰ্তি, দ্বীপৰ সদৃশ—উপদ্বীপ, গ্ৰহৰ সদৃশ— উপগ্ৰহ।

অনতিক্ৰমে (উলংঘন) অৰ্থত (যথা অব্যয়) ঃ বিধিত অতিক্ৰম নকৰি— যথাবিধি, শক্তিক অতিক্ৰম নকৰি—যথাশক্তি, তেনেকৈ যথাসাধ্য।

পশ্চাৎ (পিছত) অৰ্থত (অনু অব্যয়) ঃ পাছত চাই কৰে— অনুকৰণ, ক্ৰমৰ পিছত— অনুক্ৰম, পিচত যায় যি— অনুচৰ।

যোগ্য অৰ্থত (প্ৰতি, অনু, অব্যয়) ঃ ৰূপৰ যোগ্য—প্ৰতিৰূপ, অনুৰূপ, আকৃতিৰ যোগ্য— প্ৰতিকৃতি।

২৯ ঃ ৫৩ অনিয়মিত বা নিপাতনে সিদ্ধ অব্যয়ীভাৱ কেইটিমান আছে। যেনে- অক্ষিৰ সম্মুখ— প্ৰত্যক্ষ, অক্ষিৰ অগোচৰ—পৰোক্ষ, অক্ষিৰ সমিপত—সমক্ষ।

২৯ ঃ ৫৪ সংস্কৃত শব্দবোৰৰ অসমীয়াত প্ৰচুৰ ব্যৱহাৰ আছে। অসমীয়াত ভিন্ন ৰূপত অব্যয়ীভাৱ সমাস সমাধা হয়। যথা—

বাট বেয়া— আওবাট (অৰ্থাৎ ভুল বাট wrong way), কিন্তু বাটৰ অভাৱ (ন বাট) —অবাট (সি অবাটে মৰিল), তেনেকৈ আওকাণ, আওপাক, আওবাৰ, আওহাত, আওমৰণ, বেয়া জাতৰ যি সি— বিজতৰীয়া, নাই জুতি (বা জুতিৰ অভাৱ)- বিজুতি, নাই সংগতি (বা সংগতিৰ অভাৱ)— বিসংগতি, নাই বুদ্ধি বা বুদ্ধিৰ অভাৱ- বিবুধি, বিবুদ্ধি, জোখৰ অভাৱ— বেজোখ, যোৰৰ অভাৱ— বেযোৰ, আইনৰ অভাৱ- বেআইন ইত্যাদি।

২৯ ঃ ৫৫ অসমীয়া অব্যয় শব্দ কেতিয়াবা কেতিয়াবা পিছতেই বহে। যথা-
ঘৰে ঘৰে— ঘৰে পতি (প্ৰতি) বা ঘৰমূৰি।
জনে জনে— জনে পতি (প্ৰতি) বা জনমূৰি বা গাইপতি (প্ৰতি)
মিলৰ অভাৱ— গৰমিল বা অমিল (ন মিল)।

**২৯ ঃ ৫৬ নিত্য সমাস ঃ**

যিবোৰ সমাসৰ ব্যাসবাক্য একেবাৰে উলিয়াব নোৱাৰি অথবা যি সমাসত ব্যস্ত পদবিলাক সদায় সমাসবদ্ধ হৈ থাকে তাকেই নিত্য সমাস বোলে। (১) নিত্য সমাসৰ ব্যাসবাক্য নাথাকে, কিন্তু (২) অৰ্থ বিশেষে অন্যান্য শব্দৰ যোগেদিহে প্ৰকাশ কৰিব পাৰি। যথা—

(১) কৃষ্ণসৰ্প মানে ফেঁটীসাপ (কিন্তু ক'লা সাপ বুজালে কৰ্মধাৰয়)
পুনৰ্নৱা— মানে এবিধ শাক (The hog weed), পুনৰ নৱ (নতুন) হোৱা ভাব জগাই তুলিলেও এবিধ শাকহে।

(২) আকৌ, ভ্ৰমণাৰ্থে (ভ্ৰমণৰ কাৰণে),
পঠনাৰ্থ— (পঠনৰ কাৰণে),
গ্ৰহণাৰ্থ— (গ্ৰহণৰ কাৰণে) আদি।
তেনেকৈ, লোকান্তৰ— (অন্য লোক),
দেশান্তৰ— (অন্য দেশ)।

## অনুশীলনী

১। সমাস কাক বোলে? ই কেইবিধ আৰু কি কি?
২। সন্ধি আৰু সমাসৰ মাজত প্ৰভেদ কি? উদাহৰণ দি বুজাই দিয়াঁ।
৩। দ্বন্দ্ব সমাস কাক বোলে? ই কেইবিধ আৰু কি কি? উদাহৰণ দি বুজাই দিয়াঁ।
৪। দ্বিগু সমাস কাক বোলে? সমাহাৰ দ্বন্দ্ব আৰু দ্বিগু সমাসৰ মাজত কি পাৰ্থক্য আছে লিখাঁ।
৫। বহুব্ৰীহি সমাস কাক বোলে আৰু কেইবিধ? প্ৰত্যেক বিধৰ উদাহৰণ দি বুজাই দিয়াঁ।
৬। কৰ্মধাৰয় সমাস আৰু বহুব্ৰীহি সমাসৰ পাৰ্থক্যসমূহ আলচ কৰাঁ।
৭। উপমিত আৰু ৰূপক কৰ্মধাৰয়ৰ মাজত থকা পাৰ্থক্যসমূহ আলোচনা কৰাঁ।
৮। কৰ্মধাৰয় কেইবিধ আৰু কি কি? উদাহৰণ দি বুজাই দিয়াঁ।
৯। তৎপুৰুষ সমাস কাক বোলে? উদাহৰণ দি বুজাই দিয়াঁ।
১০। উপপদ, নঞতৎপুৰুষ আৰু নিত্য সমাসৰ সূত্ৰ লিখাঁ। পাৰ্থক্যসমূহ উদাহৰণসহ বুজাই লিখাঁ।
১১। অব্যয়ীভাবে সমাস কাক বোলে? উদাহৰণ দি বুজাই দিয়াঁ।
১২। তলৰ সমাসকেইটিৰ ব্যাসবাক্য দি সমাসৰ নাম লিখাঁ ঃ

DAILY ASSAM

দোমাহী, মুখচন্দ্ৰ, ঘৰওপজা, প্ৰতিৰূপ, কৃষ্ণসৰ্প, যথাবিধি, কুম্ভকাৰ, পানীকেঁচুৱা, পৰোক্ষ, ভূতেপোৱা, ৰ'দঘাই, অবিধি, গৰমিল, মাহচাউল, আমকঁঠাল, সুখবৰ, ভ্ৰমণাৰ্থ, পুনৰ্নৱা, ঘৰেপতি, জনমূৰি, বিজুতি, নিৰামিষ, উদণ্ড, গৃহস্থ, সত্যাগ্ৰহ, তলসৰা, দেৱালয়, জন্মান্ধ, আগগুৰি, মহীচুঙা, পিঠাগুড়ি, পদুলিমুখ, কোপাগ্নি, ছিৰাকানি, আধাসিজা, আলুপিটিকা, দোঘৰা, নাওপেটা ইত্যাদি।